# অধ্যায় – ৪

# প্ৰাণীজগত

---

**প্ৰথম গোট**
**অনুশীলনীৰ প্ৰশ্নোত্তৰ :-**

প্ৰশ্ন ১: যদি সাধাৰণ বৈশিষ্ট্যসমূহ বিবেচনাত অনা নহয় , তেনেহ'লে প্ৰাণীৰ শ্ৰেণী বিভাজনত তুমি কি কি অসুবিধাৰসন্মুখীন হ'বা ?

উত্তৰ : সাধাৰণ বৈশিষ্ট্যসমূহ যেনে — সংগঠনৰ স্তৰ , সমমিতি , কোষীয় সংগঠন , দেহগুহা , খণ্ডীভৱন , পৃষ্ঠ ৰজ্জু ইত্যাদি যদি প্ৰাণীৰ ক্ষেত্ৰত বিবেচনা কৰি চোৱা নাযায় তেন্তে কোনটো প্ৰাণী কি শ্ৰেণী , বৰ্গ, গণ ,গোত্ৰ , প্ৰজাতিত অন্তৰ্ভুক্ত হ'ব সয়া আমি সঠিকভাৱে নিৰ্ণয় কৰিব নোৱাৰিম । পৰিণতিত একোটা নিৰ্দিষ্ট প্ৰাণীৰ সঠিক বিৱৰণত ব্যাঘাত সৃষ্টি হ'ব ।

প্ৰশ্ন ২: তোমাক যদি এটা প্ৰাণীৰ নমুনা দিয়া হয় , ইয়াক বৰ্গীকৰণ কৰতে কি কি পদক্ষেপ ল'বা ?

উওৰ : সংগঠনৰ স্তৰ , সমমিতি , কোষীয় সংগঠন , দেহগুহা , খণ্ডীভৱন , পৃষ্ঠৰজ্জু আদি ভিত্তিত প্ৰাণীজগতক বহলভাৱে শ্ৰেণীবিভাজন কৰাৰ পদক্ষেপ ল'ম ।

প্ৰশ্ন ৩: অন্তঃ কোষীয় আৰু বহিঃ কোষীয় পাচনৰ পাৰ্থক্য লিখা ।

উত্তৰ : অন্তঃ কোষীয় পাচন :-

(ক) খাদ্যৰ পাচন দেহ কোষৰ ভিতৰত হয় ।

(খ) পাচন হোৱা খাদ্য ভেকুওলৰ মাজেৰে চাইট'প্লাজমত প্ৰৱেশ কৰে ।
আৰু বহিঃ কোষীয় পাচন :-

(ক) খাদ্যৰ পাচৰ দেহ কোষৰ সন্ধীবাহিৰত হয় ।

(খ) পাচন হোৱা খাদ্য পোনে পোনে।কোষত প্ৰৱেশ কৰে ।

প্ৰশ্ন ৪: পৰজীৱী চেপেটাকৃমিৰ বিশেষ লক্ষণসমূহ কি ?

উত্তৰ : (ক) দেহত শোষক আৰু হাকোট থাকে ,

(খ) অন্তঃ পৰজীৱী হিচাপে থাকে , (গ) দেহগুহিকাহীন প্ৰাণী ।

প্ৰশ্ন ৫: সন্ধীপদী প্ৰাণী প্ৰাণীজগতৰ আটাইতকৈ ডাঙৰ গোষ্ঠী বুলি গণ্য কৰাৰ কাৰণবোৰ কি ?

উওৰ : পৃথিৱীত বসবাস কৰা 2/3 অংশ প্ৰাণী সন্ধীপদী পৰ্বৰ অন্তৰ্ভুক্ত । সিহঁতৰ দেহ সংগঠন অংগস্তৰীয় । দেহ দ্বিপাৰ্শ্বীয়ভাৱে সমমিত , ত্ৰিস্তৰীয় , খণ্ডিত আৰু গুহিকাযুক্ত । ইহঁতৰ দেহ কৃত্তিকাৰে তৈয়াৰী বহিঃকংকালেৰে আবৃত । দেহটো শিৰ , বক্ষ আৰু উদৰত বিভক্ত ।সিহঁতৰ সন্ধিযুক্ত উপাংগ আছে ( আৰ্থ - সন্ধি , প'দা - উপাংগ ) । শ্বসন অংগবোৰ হ'ল জলক্লোম , পুস্তিজলক্লোম , পুস্তিক্লোম অথবা শ্বাসনলী বা ট্ৰেকিয়া । সংবহনতন্ত্ৰ মুক্ত প্ৰকৃতিৰ ।সংবেদনশীল অংগবোৰ হ'ল শৃংগিকা , চকু (যৌগিক আৰু সৰল ) , সন্তুলনপট , অথবা সমতাৰক্ষাকাৰী অংগ । ৰেচনকাৰ্য মালপিঘিয়ান নলিকাৰদ্বাৰা সম্পন্ন হয় ।ইহঁতবোৰ একলিংগ প্ৰাণী । নিষচন সাধাৰণতে অন্তৰ্বৰ্তীভাৱে সম্পন্ন হয় ।

প্ৰশ্ন ৬: পানী সংবহন তন্ত কোন গোষ্ঠীৰ লক্ষণ ।

(ক) ৰন্ধ্ৰী প্ৰাণী , (খ) টিন'ফ'ৰা , (গ) কন্টকচৰ্মী , (ঘ) পৃষ্টদণ্ডী

উওৰ : কন্টকচৰ্মী ।

প্ৰশ্ন ৭: "সকলো মাৰুদণ্ডী প্ৰাণীৰ পৃষ্ঠীদণ্ডী কিন্ত সকলো পৃষ্টদণ্ডী মাৰুদণ্ডী নহয় " এই বাক্যটোক যুক্তিৰে ব্যাখ্যা কৰা ।

উওৰ : পৃষ্ঠদণ্ডী প্ৰাণীৰ বিশেষ বৈশিষ্ট্য যেনে — (ক) পৃষ্ঠৰোজ্জু থাকে ,

(খ) মূখ্য স্নায়ুতন্ত্ৰ পৃষ্ঠীয় , (গ) টেটু , ক্লোমৰন্ধ্ৰেৰে ছিদ্ৰিত , (ঘ) হৃদযন্ত্ৰ অংকীয় , (ঙ) এডাল পশ্চাদ পায়ুপুচ্ছ ইত্যাদি থাকে ।
কিন্তু এই চৰিত্ৰৰ উপৰিও মেৰুদণ্ডী প্ৰাণীৰ অংকীয় আৰু পেশীয় হৃদযন্ত্ৰ থাকে , যাৰ দুটা , তিনিটা বা চাৰিটা কোঠালী থাকে , বৃক্কৰ দ্বাৰা ৰেচন কাৰ্য আৰু আকৃতি নিয়ন্ত্ৰণ হয় ইত্যাদি ।আনহাতে , মেৰুদণ্ডী প্ৰাণীৰ পৃষ্ঠৰজ্জুডাল ভ্ৰূণাৱস্থাত থাকে । এইডাল পৈনত অৱস্থাত উপাস্থি অথবা হাড়ৰ দ্বাৰা তৈয়াৰী ৰাজহাড়ৰ দ্বাৰা প্ৰতিস্থাপিত হয় । অৰ্থাৎ মাৰুদণ্ডী প্ৰাণীৰ কেতবোৰ বৈশিষ্ট্য পৃষ্ঠদণ্ডী প্ৰাণীৰ অন্তৰ্ভুক্ত কিন্তু পৃষ্ঠদণ্ডী প্ৰাণীৰ অন্তৰ্ভুক্ত আটাইবোৰ বৈশিষ্ট্য মাৰুদণ্ডী প্ৰাণীৰ অন্তৰ্ভুক্ত নহয় । সেয়ে সকলো মাৰুদণ্ডী প্ৰাণী পৃষ্ঠদণ্ডী কিন্তু সকলো পৃষ্ঠদণ্ডী প্ৰাণী মেৰুদণ্ডী নহয় ।

প্ৰশ্ন ৮: মৎসৰ বায়ুথলীৰ উপস্থিতিৰ গুৰুত্ব কি ?

উওৰ : পানীৰ প্লাবিতা নিয়ন্ত্ৰণ কৰি সাঁতোৰা বা চলাচল কৰাত সহায় কৰে ।

প্ৰশ্ন ৯: পক্ষীৰ উৰিব পৰা অভিযোজনবোৰ কি ?

উওৰ : পক্ষীৰ শৰীৰৰ হাড়বোৰ ফোপোলা । তাত বায়ুকোষ থাকে । যিয়ে উৰিবলৈ সহায় কৰে ।

প্ৰশ্ন ১০: ডিম্বজ প্ৰাণীৰ কণী পৰাৰ সংখ্যা বা স্তন্য প্ৰাণীৰ পোৱালী জগোৱা সংখ্যা সমান হয় নে ? কিয় ?

উত্তৰ : নহয় । কিয়নো স্তন্যপায়ীৰ পোৱালী জগোৱাৰ সময়তকৈ ডিম্বজ প্ৰাণীৰ কণীৰ পৰা সংখ্যা বেছি হয় ।

প্ৰশ্ন ১১: কোন প্ৰাণীৰ দেহত প্ৰথমবাৰৰ বাবে খণ্ডীভৱন দেখা যায় ।

(ক) চেপেটা কৃমি , (খ) ঘূৰণীয়া কৃমি , (গ) বলয়ী প্ৰাণী , (ঘ) সন্ধীপদী প্ৰাণী ।

উওৰ : (গ) বলয়ী প্ৰাণী ।

প্ৰশ্ন ১২: মানুহৰ দেহত পৰজীৱিৰূপে বাসকৰা প্ৰাণীৰ এখন তালিকা প্ৰস্তুত কৰা ।

উত্তৰ : (ক) ফিটা পেলু , (খ) যকৃত কৃমি , (গ) এছকাৰিছ , (ঘ) উচেৰিয়া , (ঙ) এংকাইল'ষ্টমা , (চ) ওকনি ।